# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-11-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***
**-------------------**

**:::::::::::::::::::**

১। বিহাৰ বিধানসভা নিৰ্বাচনত বিপুল সংখ্যাগৰিষ্ঠতাৰে শাসনাধিষ্ঠিত এন ডি এ মৰ্চাৰ পুনৰবাৰ চৰকাৰ গঠনৰ পথত অগ্ৰসৰ।

২। ধেমাজিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ নিৰ্বাচিত হিতাধিকাৰীক মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ চেক বিতৰণ।

৩। আফ্ৰিকান ছোৱাইন ফিভাৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাৰ লক্ষ্যৰে ৰাজ্যৰ ভিন্ন স্থানত সজাগতামূলক কাৰ্যসূচী।

৪। প্ৰয়াত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ ওপজা দিন উপলক্ষে দেশজুৰি শিশু দিৱস পালন।

***আৰু***

৫। কলকাতা টেষ্টৰ প্ৰথম দিনা দক্ষিণ আফ্ৰিকাৰ প্ৰথম ইনিংছৰ ১৫৯ ৰানৰ প্ৰত্যুত্তৰত ভাৰতৰ এক উইকেটৰ বিনিময়ত ৩৭ ৰান সংগ্ৰহ।

০০০০

বিহাৰ বিধানসভা নিৰ্বাচনত শাসনাধিষ্ঠিত এন ডি এ মৰ্চা বিপুল সংখ্যাগৰিষ্ঠতাৰে শাসনলৈ প্ৰত্যাৱৰ্তন কৰিছে। এতিয়ালৈকে ঘোষিত ৯৩ খন আসনৰ ভিতৰত ভাৰতীয় জনতা পাৰ্টীয়ে ৪৭ খনত জয়লাভ কৰিছে আৰু ৪৪ খনত আগবাঢ়ি আছে। সহযোগী দল জনতা দল ইউনাইটেডে ২৮ খন আসনত জয়লাভ কৰিছে আৰু ৫৫ খনত আগবাঢ়ি আছে। এন ডি এৰ অন্যতম অংশীদাৰ লোক জনশক্তি পাৰ্টিয়ে ৪ খন আসনত জয়লাভ কৰিছে আৰু ১৫ খনত আগবাঢ়ি আছে। হিন্দুস্তানী আৱাম মৰ্চায়ো এখন আসনত জয়লাভ কৰিছে আৰু ৪ খন আসনত আগবাঢ়ি আছে।

আৰ জে ডি নেতৃত্বাধীন মহাজোঁটবন্ধনে বৰ্তমানলৈকে কেৱল ৭ খন আসনত জয়লাভ কৰিছে আৰু ২৪ খন আসনত আগবাঢ়ি আছে। প্ৰথমবাৰৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হোৱা **প্ৰশান্ত কিশোৰৰ জন সূৰয পাৰ্টী**ৰ প্ৰদৰ্শন শোচনীয় দেখা গৈছে।

শাসনাধিষ্ঠিত এন ডি এৰ সমৰ্থকসকলে ইতিমধ্যে পাটনাৰ ৰাজপথত বিজয় শোভাযাত্ৰা উলিয়াই বিজয় উদযাপন কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া কিছু সময় পাছতেই নতুন দিল্লীৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত উপস্থিত হৈ দলীয় কৰ্মীসকলক বিজয়ৰ বাবে শুভেচ্ছা জনাব। এন ডি এৰ নিশ্চিত বিজয়ক লৈ অসম প্ৰদেশ বিজেপিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াই এইদৰে কয় -

*(বাইট ঃ দিলীপ শইকীয়া)*

০০০০

বিহাৰ নিৰ্বাচনত এন ডি এৰ নিশ্চিত বিজয়ৰ পিছতেই অসমতো দলীয় কৰ্মীসকলৰ মাজত আনন্দমুখৰ পৰিৱেশে বিৰাজ কৰিছে। মন্ত্ৰী কৃষ্ণেন্দু পালৰ নেতৃত্বত শ্ৰীভূমিত জিলা বিজেপি কাৰ্যালয়ত বিজয় উৎসৱ উদযাপন কৰা হয়। বিহাৰৰ জনতাই শান্তি-সম্প্ৰীতি আৰু উন্নয়নৰ বাবে এন ডি এক ভোট দিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বিহাৰৰ জনগণে এন ডি এৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ বাবে তেওঁ ভোটদাতাসকলক ধন্যবাদ জনায়।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজি জিলাৰ অকাজানত অনুষ্ঠিত জন সমাবেশত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ নিৰ্বাচিত হিতাধিকাৰীক চেক প্ৰদান কৰে। এই আঁচনিৰ অধীনত চিচিবৰগাওঁ বিধানসভা সমষ্টিত ৩ হেজাৰ ৩৭০ টা আত্মসহায়ক গোটৰ ৩৪ হাজাৰ ৪৪৮ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হয়। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ লক্ষ্য হিচাপে কৃষি, পশুপালন, হস্ততাঁত আৰু হস্তশিল্পকে ধৰি আন বিভিন্ন ক্ষেত্ৰত মহিলা উদ্যোগীৰ বিকাশৰ জৰিয়তে জীৱিকাৰ বিকল্প সম্ভাৱনাৰ প্ৰয়াস কৰা হৈছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে সাংসদ প্ৰদান বৰুৱা, মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু প্ৰশান্ত ফুকনো উপস্থিত থাকে।

চিলাপথাৰৰ অকাজান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত বিশাল জনসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এই আঁচনিখনক এখন ভাল আঁচনি বুলি অভিহিত কৰি এইদৰে কয়ঃ

বাইট ঃ মুখ্যমন্ত্ৰী

ইপিনে, এই আঁচনিৰ অধীনত কালি বিশ্বনাথ জিলাৰ গহপুৰ সমষ্টিৰ ৩৬ হাজাৰ ৮৩৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই উপলক্ষে ভোলাগুৰিৰ ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয় চৌহদত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। মহিলা সৱলীকৰণৰ কাৰণে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপে বিগত চাৰি বছৰৰ পাছত  ৰাজ্যৰ মহিলা উদ্যমীসকলক আত্মনিৰ্ভৰ কৰাত বিশেষ অৰিহণা যোগাইছে বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাষণ প্ৰসংগত উল্লেখ কৰে।

০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱ পৰিলক্ষিত হৈছে। এই ৰোগ প্ৰতিহত কৰিবলৈ প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। এই ৰোগ বৃদ্ধি হোৱাৰ বাবে বিভিন্ন জিলাত হাজাৰ হাজাৰ গাহৰি নিধন কৰা হৈছে। উজনি অসমৰ বিভিন্ন জিলাত বিশেষকৈ শিৱসাগৰ, ধেমাজি, ডিব্ৰুগড় আৰু লখিমপুৰত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ সৰ্বাধিক হোৱা বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। লখিমপুৰ জিলাত পশুপালন বিভাগে এই পৰ্যন্ত এহেজাৰ ৭০৬টা গাহৰি নিধন কৰিছে। জিলাখনৰ ২৯ টা স্থানৰ

৩৪ খন গাহৰি ফাৰ্মৰ গাহৰি নিধন কৰা হৈছে। জিলাখনত যোৱা ৯ নৱেম্বৰৰ পৰা গাহৰি বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

আফ্ৰিকান ছোৱাইন ফিভাৰৰ সন্দৰ্ভত ৰাইজক সজাগ কৰাৰ লক্ষ্যৰে গোলাঘাট জিলাৰ খুমটাইত আজি এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। এই ৰোগৰ কাৰণ, ল'বলগীয়া সাৱধানতা সম্পৰ্কে সভাত বিস্তৃতভাৱে আলোচনা কৰা হয়।

পশ্চিম কাৰ্বি আংলঙ জিলা আয়ুক্তৰ কাৰ্যালয়তো আফ্ৰিকান ছোৱাইন ফিভাৰৰ সজাগতা সম্পৰ্কীয় এখন সভা অনুষ্ঠিত হয়। পশু চিকিৎসকসকলে সভাত গাহৰি পালকসকলক বিভিন্ন ধৰণৰ দিহা-পৰামৰ্শ আগবঢ়ায়।

আফ্ৰিকান ছোৱাইন ফিভাৰৰ ব্যাপক সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে বহিঃৰাজ্যৰ পৰা অনা গাহৰি অসম-বংগ সীমান্তত পৰীক্ষাৰ পাছত সংক্ৰমণ ধৰা পৰিলে সেই ঠাইতে নিধন কৰাৰ সিদ্ধান্ত লৈছে। চৰকাৰে ক্ষতিগ্ৰস্ত সকলো গাহৰি পালককে ক্ষতিপূৰণ প্ৰদান কৰিব বুলি মন্ত্ৰী কৃষ্ণেন্দু পালে ইতিমধ্যে জানিবলৈ দিছে।

০০০০

আজি শিশু দিৱস। দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনটো প্ৰতিবছৰে শিশু দিৱস হিচাপে পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰীলৈ জন্ম বাৰ্ষিকীত গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো শিশু দিৱস উপলক্ষে সামাজিক মাধ্যমযোগে শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ড° শৰ্মাই শিশু পৃথিৱীৰ আটাইতকৈ প্ৰিয়তম উপহাৰ বুলি মন্তব্য কৰি প্ৰতিটো শিশুৰ কুশল কামনা কৰে।

**ডিব্ৰুগড় জিলাৰ** আটাইকেইখন শিক্ষানুষ্ঠানতে শিশু দিৱস পালন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-গীত পৰিৱেশন কৰাৰ লগতে প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীক শ্ৰদ্ধা জনায়। **কাৰ্বি আংলং জিলাৰ** ডিফুৰ ৰেংবংহম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-গীত পৰিৱেশন কৰি এই দিৱস পালন কৰে। ইয়াৰ লগতে অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰীসকলে জনতাৰ শিল্পী জুবিন গাৰ্গৰ কালজয়ী গীত **মায়াবিনী** শীৰ্ষক গীতটো পৰিৱেশন কৰি প্ৰয়াত শিল্পীগৰাকীক শ্ৰদ্ধা জনায়।

**বিশ্বনাথ জিলাৰ** গহপুৰৰ ৰজাবাৰীত দুদিনীয়া কাৰ্যসূচীৰে শিশু দিৱস পালন কৰা হৈছে। শিশুসকলৰ প্ৰতিভা বিকাশৰ লক্ষ্যৰে ত্ৰিবেনী মইনা পাৰিজাতৰ উদ্যোগত আজি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়।

গোৱালপাৰা জিলাৰ শিক্ষানুষ্ঠানসমূহতো আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে শিশু দিৱস পালন কৰা হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত খেল-ধেমালিৰ লগতে বিভিন্ন প্ৰচিযোগিতা অনুষ্ঠিত হয়। বলদমাৰীৰ বালাৰভিটাপাৰা প্ৰাথমিক বিদ্যালয়ত শিশুসকলৰ মাজত বক্তৃতা প্ৰতিযোগিতাৰ মাজতে সংগীত আৰু নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়।

তিনিচুকীয়া জিলাৰ ৰজাগড় মৌকোঁহ মইনা পাৰিজাতৰ সৌজন্যত শিশু দিৱস উপলক্ষে জিলাভিত্তিত ১১ ৰ পৰা ১৪ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ মাজত মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৰাজ্যৰ সকলো বিদ্যালয়তে শিশু দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০

রাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যান বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজীৰ গোগামুখৰ গাৰ্লছ হাইস্কুলত এটা প্ৰশাসনীয় ভৱনৰ আধাৰশিলা স্থাপন কৰে। মিছিং স্বায়ত্ত শাসিত পৰিষদৰ অনুদানেৰে নিৰ্মাণ হ'বলগীয়া এই প্ৰশাসনিক ভৱন নিৰ্মাণৰ আধাৰশিলা স্থাপন অনুষ্ঠানত মিছিং স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ আৰু পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যসকল উপস্থিত থাকে। প্ৰশাসনীয় ভৱনৰ আধাৰশিলাৰ লগতে অহা বৰ্ষৰ ২০, ২১ আৰু ২২ মাৰ্চত বিদ্যালয়খনত হ'বলগীয়া সোণালী জয়ন্তী বৰ্ষ উদযাপনৰ অংশ হিচাপে মন্ত্ৰী ডাঃ পেগুৱে লাইখুটা স্থাপন অনুষ্ঠানতো অংশগ্ৰহণ কৰে।

০০০০

সদ্য সমাপ্ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত মঙলদৈ মহাবিদ্যালয়ৰ স্নাতক তৃতীয় যান্মাসিকৰ ছাত্ৰ ডেনিছ্ নাথে মিমিক্ৰি অৰ্থাৎ কণ্ঠ নকল প্ৰতিযোগিতাত প্ৰথম স্থান অৰ্জন কৰিছে। মঙলদৈ মহাবিদ্যালয় দলে নাট প্ৰতিযোগিতাত দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰাৰ লগতে ডেনিছ্ নাথে সৰ্বশ্ৰেষ্ঠ অভিনেতাৰ সন্মানো অৰ্জন কৰে। এয়া আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে ডেনিছ্ নাথ ঃ

বাইট

০০০০

ৰাজ্য চৰকাৰৰ জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকাই আজি ডিব্ৰুগড়ৰ বুঢ়ীদিহিং নদীৰ মথাউৰিৰ গৰাখহনীয়া প্ৰতিৰোধ কাৰ্যৰ শুভাৰম্ভ কৰে। নাবাৰ্ডৰ ৫ কোটি আৰু অইল ইণ্ডিয়া লিমিটেডৰ চাৰে চাৰি কোটি টকাৰ পুঁজিৰে মথাউৰিৰ গৰাখহনীয়া প্ৰতিৰোধ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী পিযুষ হাজৰিকাই কয় যে মথাউৰি মেৰামতি কাৰ্য সম্পূৰ্ণ হ'লে টিপাম তথা সমীপৱৰ্তী অঞ্চলৰ ৰাইজৰ জীৱনৰ মান উন্নত হোৱাৰ লগতে অঞ্চলটোৰ ৰাইজ সুৰক্ষিত হৈ থাকিব। মন্ত্ৰী হাজৰিকাই কয় যে বুঢ়ীদিহিং আৰু ব্ৰহ্মপুত্ৰৰ সংযোগ স্থানৰ খহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰি জন-ধনৰ সুৰক্ষাৰ বাবে কাম কৰিছে। নিৰ্দিষ্ট সময়ত এই কাৰ্য সম্পন্ন হৈ উঠিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। এই অনুষ্ঠানত বিধায়ক জিতু গোস্বামী আৰু তৰংগ গগৈও উপস্থিত থাকে।

০০০০

তিনিচুকীয়া জিলাৰ গুইজানত আজি অনুষ্ঠিত স্বাস্থ্য শিবিৰত ১৮ বছৰ অনুৰ্ধ ২ হেজাৰ ২৫৪ গৰাকী কিশোৰ-কিশোৰীৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। ইয়াৰ পূৰ্বে জিলাখনৰ ডুমডুমা, ডিগবৈ, মাৰ্ঘেৰিটা, শদিয়া আৰু তিনিচুকীয়া সমষ্টিৰ স্বাস্থ্য শিবিৰসমূহত প্ৰায় ১৩ হাজাৰ ৰোগীৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰা হৈছে। আজিৰ শিবিৰৰ সামৰণিৰ পিছত জিলা স্বাস্থ্য বিভাগে দিয়া তথ্য অনুসৰি জিলাখনত আটাইকেইটা সমষ্টিত মুঠ ১৫ হাজাৰ ১৩৯ টা শিশুৰ স্বাস্থ্য পৰীক্ষা কৰা হৈছে। ইয়াৰে এহেজাৰ ৭৭৬ জনক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল, অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল আদিলৈ প্ৰেৰণ কৰা হয়। গুইজান সমুহীয়া স্বাস্থ্য কেন্দ্ৰৰ খেলপথাৰত অনুষ্ঠিত এই অন্তিমটো শিবিৰ উদ্বোধনী অনুষ্ঠানত চাবুৱা সমষ্টিৰ বিধায়ক পোনাকন বৰুৱা উপস্থিত থাকে। মূলতঃ ১৮ বছৰ বয়সৰ অনুৰ্ধৰ কিশোৰ-কিশোৰীৰ বাবে এই স্বাস্থ্য মেলাৰ আয়োজন কৰা হৈছে যদিও প্ৰয়োজন অনুসৰি অন্যান্য ৰোগীকো এই চিকিৎসা সেৱা প্ৰদান কৰা হয়। ইতিমধ্যে অঙ্গনবাড়ী কেন্দ্ৰ, আশা কৰ্মী, বিদ্যালয় আদিৰ জৰিয়তে সমষ্টিটোত এহেজাৰ ৭১৪ টা অসুস্থ শিশু চিনাক্ত কৰি এই স্বাস্থ্য শিবিৰত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০

কলকাতাৰ ইডেন গাৰ্ডেনছত আজি আৰম্ভ হোৱা ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ প্ৰথম টেষ্টৰ আজি প্ৰথম দিনা ভাৰতীয় বলাৰসকলৰ নিয়ন্ত্ৰিত ব'লিঙৰ সন্মুখত দক্ষিণ আফ্ৰিকাৰ বেটিং বিপৰ্যয় ঘটে। আলহী দলটোৰ প্ৰথম ইনিংছ ১৫৯ ৰানত সমাপ্ত হয়। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ১৪ অভাৰত ২৭ ৰান দি পাঁচটা উইকেট দখল কৰে। মহম্মদ ছিৰাজ আৰু কুলদ্বীপ যাদৱে দুটাকৈ আৰু অক্ষৰ পেটেলে এটা উইকেট দখল কৰে। ভাৰতে নিজৰ প্ৰথম ইনিংছ স্বাচ্ছন্দে আৰম্ভ কৰে যদিও ব্যক্তিগত ১২ ৰানত ভাৰতৰ অ'পেনাৰ য়শস্বী জয়ছোৱাল য়ানছেনৰ বলত আউট হয়। প্ৰথম দিনৰ সামৰণিত ভাৰতে এটা উইকেটৰ বিনিময়ত ৩৭ ৰান সংগ্ৰহ কৰিছে। কে এল ৰাহুলে ১৩ আৰু ৱাশ্বিংটন সুন্দৰে ৬ ৰানত বেট ধৰি আছে।

০০০০

সৰ্বভাৰতীয় টেনিছ সন্থা আৰু আন্তৰাষ্ট্ৰীয় টেনিছ ফেডাৰেছনৰ উদ্যোগত সদৌ অসম চেনিছ সন্থাই গুৱাহাটীত দুখনকৈ আন্তৰ্জাতিক প্ৰতিযোগিতাৰ আয়োজন কৰিছে। অহা ১৭ ৰ পৰা ২২ নৱেম্বৰলৈ  গুৱাহাটীৰ চচলত আই টি এফ জুনিয়ৰ টেনিছ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখন ১৮ বছৰৰ অনুৰ্ধৰ ল'ৰা আৰু ছোৱালী উভয় শাখাতে অনুষ্ঠিত হ'ব। কাইলৈ পুৱাৰে পৰা কোৱালিফাইং ৰাউণ্ডৰ খেলসমূহ আৰম্ভ হ'ব। মুঠতে ৬৬ গৰাকী খেলুৱৈ কোৱালিফাইং মেচ খেলাৰ পাছত ল'ৰা-ছোৱালী উভয়ৰে পৰা ৮ গৰাকীকৈ মূল ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিব। প্ৰতিযোগিতাত আয়োজক ভাৰতৰ লগতে জাৰ্মানী, আমেৰিকা, শ্ৰীলংকা, জাপান, হংকং, ছিংগাপুৰ, অষ্ট্ৰেলিয়া, কাজাখাস্তান, ফ্ৰান্স, মালয়েছিয়া, তুৰস্ক আৰু মেক্সিকোৰ খেলুৱৈয়ে যোগদান নিশ্চিত কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ